**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-04-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। উচ্চতম ন্যায়ালয়ে ৱক্‌ফ সংশোধনী আইন সন্দৰ্ভত আজি অন্তৰ্বৰ্তীকালীন আদেশ যোগে ৱকফ বোৰ্ডৰ কেন্দ্ৰীয় পৰিষদত কোনো নিযুক্তি দিয়াটো বাৰণ কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত যমুনা নৈৰ বৰ্তমানৰ স্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যে এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে।

৩। প্ৰতিৰক্ষা ৰাজনাথ সিঙে কয়, যে চৰকাৰে প্ৰতিৰক্ষা বাজেটৰ ৭৫ শতাংশ ঘৰুৱা কোম্পানীসমূহৰ পৰা ক্ৰয় কৰিবলৈ সংৰক্ষিত কৰিছে।

৪। পলাতক ব্যৱসায়ী মেহুল চৌকছীক দেশলৈ প্ৰত্যাৱৰ্তনৰ বাবে ভাৰতে বেলজিয়ামৰ সৈতে কথা বতৰা চলাই আছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত খন্তেক পাছতে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

উচ্চতম ন্যায়ালয়ে ৱক্‌ফ সংশোধনী আইন সন্দৰ্ভত আজি অন্তৰ্বৰ্তীকালীন আদেশ যোগে ৱকফ বোৰ্ডৰ কেন্দ্ৰীয় পৰিষদত কোনো নিযুক্তি দিয়াটো বাৰণ কৰিছে আৰু কেন্দ্ৰীয় চৰকাৰ, ৱকফ বোৰ্ড আৰু সংশ্লিষ্ট ৰাজ্য চৰকাৰসমূহক সাত দিনৰ ভিতৰত উত্তৰ দিবলৈ নিৰ্দেশ দিছে।

মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না, ন্যায়াধীশ সঞ্জয় কুমাৰ আৰু ন্যায়াধীশ কে ভি বিশ্বনাথনক লৈ গঠিত এখন বিচাৰপীঠে গোচৰটোৰ শুনানি লৈ ন্যায়ালয়ে চৰকাৰে উত্তৰ দিয়াৰ ৫ দিনৰ ভিতৰত আবেদনকাৰীয়েও উত্তৰ দিব লাগিব বুলি জাননীত উল্লেখ কৰে। এই গোচৰৰ পৰৱৰ্তী শুনানি ৫ মে'ত অনুষ্ঠিত হ'ব।

ইয়াৰ আগেয়ে ন্যায়ালয়ত কালি অনুষ্ঠিত শুনানিত কেন্দ্ৰীয় চৰকাৰৰ হৈ ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাই ৱক্‌ফ সংশোধনী আইনৰ সপক্ষে আগবঢ়োৱা যুক্তি শুনে। ছলিচিটৰ জেনেৰেলগৰাকীয়ে এই ক্ষেত্ৰত ন্যায়ালয়ে কোনো অন্তৰ্বৰ্তীকালীন আদেশ জাৰি কৰাৰ বিৰোধিতা কৰে আৰু ইয়াৰ পাছত ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰক নিজৰ শপতনামা দুসপ্তাহৰ ভিতৰত দাখিল কৰাৰ বাবে জাননী জাৰি কৰে। শুনানিৰ সময়ত আদালতে দেশৰ বিভিন্ন অংশত ৱক্‌ফ আইনক লৈ সৃষ্টি হোৱা হিংসাত্মক প্ৰতিবাদ সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰে আৰু এই পৰিস্থিতি শীঘ্ৰেই নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা ল'বলৈ চৰকাৰক নিৰ্দেশ দিয়ে।

১৯৯৫ চনৰ ৱক্‌ফ আইনৰ সংশোধনীৰ সাংবিধানিক বৈধতাক লৈ কেইবাখনো ৰাজ্যই উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছিল।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত যমুনা নৈৰ বৰ্তমানৰ স্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যে এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত যমুনা নৈৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা আৰু সজীৱতাৰ বাবে

চলি থকা ভৱিষ্যতৰ পৰিকল্পনাসমূহৰ বিষয়ে আলোচনা কৰা হয়। শ্ৰীমোদীয়ে নলাসমূহৰ প্ৰৱাহ জুখিবলৈ মাইক্ৰ' লেভেল পৰ্যায়ৰ তথ্য সংগ্ৰহ কৰাৰ লগতে নলা পৰিশোধন প্লাণ্টৰ কাৰ্যকলাপ নিৰীক্ষণ কৰিবলৈ উপলব্ধ উত্তম প্ৰযুক্তি ব্যৱহাৰ কৰিবলৈও পৰামৰ্শ দিয়ে। এই বৈঠকত নগৰীয়া নদী ব্যৱস্থাপনা প্ৰস্তুত কৰি চিটী মাষ্টাৰ প্লেনৰ সৈতে একত্ৰিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, জলশক্তি মন্ত্ৰী চি আৰ পাটিল, দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাৰ লগতে চৰকাৰৰ উচ্চ পদস্থ বিষয়াসকলক এই বৈঠকত উপস্থিত থাকে।

ooooo

প্ৰতিৰক্ষা ৰাজনাথ সিঙে কয়, যে চৰকাৰে প্ৰতিৰক্ষা বাজেটৰ ৭৫ শতাংশ ঘৰুৱা কোম্পানীসমূহৰ পৰা ক্ৰয় কৰিবলৈ সংৰক্ষিত কৰিছে। নতুন দিল্লীত আজি প্ৰতিৰক্ষা সন্মিলনত ভাষণ দি শ্ৰীসিঙে কয়, যে দেশত প্ৰতিৰক্ষা উৎপাদন ২০১৪ চনৰ ৪০ হাজাৰ কোটি টকাৰ পৰা বৃদ্ধি হৈ বৰ্তমান ১ লাখ ২৭ হাজাৰ কোটি টকাৰো অধিক হৈছে। তেওঁ কয়, যে ২০২৯ চনলৈ ৩ লাখ কোটি টকাৰ প্ৰতিৰক্ষা সামগ্ৰী নিৰ্মাণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত প্ৰতিৰক্ষা খণ্ডৰ নৱীকৰণ আৰু সুদৃঢ়কৰণ চৰকাৰৰ অন্যতম অগ্ৰাধিকাৰ। শ্ৰীসিঙে গুৰুত্ব আৰোপ কৰি কয়, যে ভাৰতে আমদানিৰ ওপৰত আত্মনিৰ্ভৰশীলতা হ্ৰাস কৰিবলৈ এক প্ৰতিৰক্ষা ঔদ্যোগিক পৰিসৰ নিৰ্মাণ কৰিব যিয়ে ভাৰতৰ প্ৰয়োজনীয় পূৰণ কৰাৰ লগতে প্ৰতিৰক্ষা ৰপ্তানিৰ সম্ভাৱনাও শক্তিশালী কৰিব। প্ৰতিৰক্ষা ৰপ্তানি ২০১৩-১৪ বৰ্ষৰ ৬৮৬ কোটি টকাৰ পৰা ২০২৪-২৫ বৰ্ষত ২৩ হাজাৰ কোটি টকাতকৈও অধিক হোৱা বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

মালয়েছিয়াৰ কুৱালালামপুৰত কাইলৈৰ পৰা হ'বলগীয়া মালয়েছিয়ান টুৰ এণ্ড ট্ৰেভেল এজেণ্ট সংস্থাৰ মেলাত বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ নেতৃত্বত এটা ভাৰতৰ এটা প্ৰতিনিধি দলে অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত দেশৰ উত্তৰ পূৰ্বাঞ্চলত বিশেষ গুৰুত্ব সহকাৰে লৈ ভাৰতে নিজৰ পৰ্যটন ক্ষেত্ৰৰ সম্ভাৱনাক তুলি ধৰাৰ প্ৰয়াস কৰিব। ভাৰত আছিয়ান পৰ্যটন পেছাদাৰী বিনিময় কাৰ্যসূচী ২০২৫ ৰ অংশ হিচাপে শ্ৰীমাৰ্ঘেৰিটাই এই কাৰ্যসূচীত অংশ ল'ব। দুদিনীয়া এই ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে কেইবাগৰাকীও আগশাৰীৰ ব্যৱসায়িক নেতা আৰু প্ৰৱাসী ভাৰতীয়ৰ সৈতে মত বিনিময় কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে যোৱা বছৰ অনুষ্ঠিত একবিংশ ভাৰত-আছিয়ান শীৰ্ষ সন্মিলনত এই বছৰৰ ভাৰত-আছিয়ান পৰ্যটন বৰ্ষ পালনৰ পৰিকল্পনা কৰা হৈছিল।

ooooo

কেন্দ্ৰীয় মন্ত্ৰী ডঃ মনসুখ মন্দাভিয়াই আজি নতুন দিল্লীৰ ৰাষ্ট্ৰীয় ড'প পৰীক্ষণ গৱেষণাগাৰত বিশ্বৰ ১৭ সংখ্যক এথলিট পাছপ'ৰ্ট মেনেজমেণ্ট ইউনিট উদ্বোধন কৰে। এথলিট পাছপ'ৰ্ট মেনেজমেণ্ট ইউনিট হৈছে খেলুৱৈসকলৰ জৈৱিক পাছপ'ৰ্ট নিৰীক্ষণ আৰু পৰিচালনা, ন্যায্য খেল নিশ্চিত কৰা আৰু স্বচ্ছ ক্ৰীড়াৰ অখণ্ডতা বজাই ৰখাৰ বাবে মুকলি কৰা এটা বিশেষ ব্যৱস্থা।

এই উপলক্ষে আয়োজিত সভাত ভাষণ দি মন্ত্ৰীগৰাকীয়ে এই ব্যৱস্থাক ড'পিঙৰ বিৰুদ্ধে দেশৰ যুঁজখনৰ গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি বুলি অভিহিত কৰে। এই ব্যৱস্থাৰ ফলত খেলুৱৈসকলৰ জৈৱিক প্ৰমাণপত্ৰ

দীৰ্ঘকালীনভাৱে অনুসৰণ কৰা সম্ভৱ হ'ব। তেওঁ লগতে কয়, যে এই উদ্ভাৱনী ব্যৱস্থাই ড'পিং আৰু অনৈতিক পদ্ধতি ধৰা পেলোৱাত সহায় কৰিব।

০০০০০

পলাতক ব্যৱসায়ী মেহুল চৌকছীক দেশলৈ প্ৰত্যাৱৰ্তনৰ বাবে ভাৰতে বেলজিয়ামৰ সৈতে কথা বতৰা চলাই আছে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয়, যে ভাৰতে প্ৰত্যাৱৰ্তনৰ বাবে অনুৰোধ জনোৱাৰ পাছতে বেলজিয়ামত পলাতক ব্যৱসায়ীগৰাকীক গ্ৰেপ্তাৰ কৰা হয়।

২৬/১১ মুম্বাই আক্ৰমণৰ মূল অভিযুক্ত তাহাবুৰ ৰাণাক ভাৰতলৈ প্ৰত্যাৱৰ্তন কৰাৰ পাছতে শ্ৰীজয়ছোৱালে কয়, যে ৰাণাৰ এই প্ৰত্যাৱৰ্তন পাকিস্তানৰ বাবে এক সকীয়নি বুলি বিবেচিত হৈছে। কিয়নো মুম্বাই আক্ৰমণকাৰীক পাকিস্তানে ৰক্ষণাবেক্ষণ দি আহিছে। পাকিস্তানে যথেষ্ট চেষ্টা কৰিলেও গোলকীয় সন্ত্ৰাসবাদৰ অভিকেন্দ্ৰ বুলি দেশখনৰ যি বদনাম আছে সেয়া নোহোৱা হৈ নাযায় বুলি শ্ৰীজয়ছোৱালে প্ৰকাশ কৰে।

০০০০০

কেন্দ্ৰীয় জল শক্তি মন্ত্ৰী চি আৰ পাটিলে নতুন দিল্লীত আজি মিঠা পানীৰ জৈৱ বৈচিত্ৰতা সংৰক্ষণ বৃদ্ধিৰ বাবে ডিজিটেল মঞ্চ মুকলি কৰে। তেওঁ ৰাষ্ট্ৰীয় স্বচ্ছ গংগা অভিযানৰ অন্তৰ্গত ভাৰতীয় বন্যপ্ৰাণী সংস্থাৰ বিভিন্ন প্ৰকল্পৰ পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। এই মঞ্চই গংগা, কাবেৰী আৰু গোদাবৰীৰ নিচিনা প্ৰধান ভাৰতীয় নৈসমূহৰ মাজেৰে জৈৱ বৈচিত্ৰতা আৰু সামূহিক অংশীদাৰিত্বৰ বিষয়ে তথ্য প্ৰদান কৰিব।

এই উপলক্ষ্যে অনুষ্ঠিত সভাত ভাষণ দি মন্ত্ৰীগৰাকীয়ে জল জৈব বৈচিত্ৰ পুনৰুদ্ধাৰ, নৈ পৰিষ্কাৰকৰণ, স্থানীয় সামৰ্থ বৃদ্ধি কৰা আৰু সংৰক্ষণৰ ক্ষেত্ৰত স্থানীয় লোকক জড়িত কৰাৰ বাবে ৰাষ্ট্ৰীয় স্বচ্ছ গংগা অভিযান আৰু ভাৰতীয় বন্যপ্ৰাণী সংস্থাৰ প্ৰশংসনীয় কাৰ্যৰ শলাগ লয়।

০০০০০

বিধি বলৱৎকাৰী সঞ্চালকালয়ে কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীৰ স্বামী ৰবাৰ্ট ভাদ্ৰাক জেৰা কৰা সন্দৰ্ভত বিজেপিয়ে দুৰ্নীতিৰ বিৰুদ্ধে এয়া এখন শক্তিশালী যুদ্ধ অভিহিত কৰিছে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত দলৰ মুখপাত্ৰ গৌৰৱ ভাটিয়াই অভিযোগ কৰে যে ৰবাৰ্ট ভাদ্ৰাই পৰ্বতসম দুৰ্নীতি কৰিছিল যদিও পূৰ্বৰ কংগ্ৰেছ চৰকাৰে তেওঁক ৰক্ষণাবেক্ষণ দি আহিছে। হাৰিয়ানাত ভূমি ক্ৰয়ৰ জৰিয়তে ভাদ্ৰাই ৪ মাহতে ৭০০ শতাংশ লাভ উপাৰ্জন কৰিছিল বুলিও বিজেপিয়ে অভিযোগ কৰিছে। বিজেপিৰ মুখপাত্ৰ গৰাকীয়ে কয়, যে গান্ধী-নেহৰু পৰিয়াল বিভিন্ন দুৰ্নীতিত নিমজ্জিত আৰু এই সংক্ৰান্ততত তেওঁলোকৰ বিৰুদ্ধে কেইবাটাও গোচৰ আছে। দুৰ্নীতিৰে উপাৰ্জন কৰা প্ৰতিটো ঘূৰাই অনা হ'ব বুলি বিজেপি নেতাগৰাকীয়ে লগতে কয়।

ভূমি ক্ৰয় কেলেংকাৰি আৰু নেচনেল হেৰল্ড গোচৰত কংগ্ৰেছৰ নেতাসকলৰ বিৰুদ্ধে আক্ৰোশমূলক আৰু উদ্দেশ্য প্ৰণোদিতভাৱে অভিযোগনামা দাখিল কৰা বুলি দলটোৱে তোলা অভিযোগ বিজেপি নেতা শ্ৰীভাটিয়াই নস্যাৎ কৰে। বিজেপি নেতাগৰাকীয়ে এইদৰে অভিযোক কৰে যে কংগ্ৰেছ নেতাসকলে নিজকে সকলো আইনৰ উৰ্ধত বুলি বিশ্বাস কৰে।

০০০০০

ভাৰতীয় জনতা পাৰ্টিয়ে কয়, যে নেচনেল হেৰল্ড গোচৰ দুৰ্নীতি আৰু প্ৰবঞ্চনাৰ গোচৰ। বিধি বলৱৎকাৰী সঞ্চালকালয়ে এই গোচৰত কংগ্ৰেছ জ্যেষ্ঠ নেতা ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধীৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰিছে। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ আগত দলৰ জ্যেষ্ঠ নেতা আৰু কেন্দ্ৰীয় মন্ত্ৰী হৰদীপ সিং পুৰীয়ে সঞ্চালকালয়ৰ এই কাৰ্যৰ বিৰোধিতা কৰাৰ বাবে কংগ্ৰেছক সমালোচনা কৰে। তেওঁ কয়, যে এই গোচৰ সংক্ৰান্তত সঞ্চালকালয়ৰ তদন্ত নতুন নহয়, যিহেতু বিজেপি শাসনভাৰলৈ অহাৰ পূৰ্বে ২০১২-১৩ চনতে এই গোচৰৰ তদন্ত আৰম্ভ হৈছিল। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে এই গোচৰত মাত্ৰ ৫০ লাখ টকাত দুহেজাৰ কোটি টকাৰ সম্পত্তি অধিগ্ৰহণ কৰা হৈছিল।

ooooo

পাকিস্তানত হোৱা প্ৰচণ্ড শিলাবৃষ্টি আৰু ব্ৰজপাতৰ ফলত কমেও ৫ জন লোকৰ মৃত্যু ঘটিছে। এই শিলাবৃষ্টিৰ ফলত দেশখনৰ ইছলামাবাদ, পঞ্জাব আৰু খাইবাৰ পাখতুনখৱাৰ বিভিন্ন অঞ্চলত যথেষ্ট ক্ষতি সাধন হৈছে। শিলাবৃষ্টিৰ ফলত যান-বাহন, ঘৰ দুৱাৰৰ লগতে ইছলামাবাদত থকা ফইজল মছজিদতো বিস্তৰ ক্ষতি হয়। খাইবাৰ পাখতুনখৱা অঞ্চলত কৃত্ৰিম বানৰ ফলত যানজঁটৰ সৃষ্টি হোৱাৰ লগতে জনজীৱন বিধবস্ত হয়। অঞ্চলটোত ব্ৰজপাতৰ ফলত এজন সৈনিকৰ মৃত্যু হৈছে। পঞ্জাবত দেৱাল খহি পৰা আৰু ব্ৰজপাতৰ ঘটনাত ৩ জন লোকৰ মৃত্যু হৈছে। সমগ্ৰ অঞ্চলটোত এই শিলাবৃষ্টিৰ খেতিপথাৰৰ শস্যও নষ্ট হৈছে।

বতৰ বিজ্ঞান বিভাগে জনোৱা অনুসৰি পঞ্জাবৰ পৰা বৈ অহা গ্ৰীষ্ম প্ৰৱাহ আৰু ইৰাণৰ উত্তৰ দিশৰ পৰা শীতপ্ৰৱাহৰ ফলতে এই শিলাবৃষ্টিৰ ঘটনা সংঘটিত হৈছে।

ooooo

সীমান্ত সুৰক্ষা বাহিনী বি এছ এফ আৰু বাংলাদেশৰ সীমান্তৰক্ষী বাহিনী বি জি বিৰ মাজত আজি পশ্চিমবংগৰ কোচবিহাৰ জিলাৰ পশ্চিম ছিতলকুছি সীমান্তত এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত কালি উকিল বৰ্মন নামৰ এগৰাকী ভাৰতীয় খেতিয়কক খেতিপথাৰত যোৱাৰ সময়ত অপহৰণ কৰি নিয়া সন্দৰ্ভত আলোচনা কৰা হয়। কেইগৰাকীমান বাংলাদেশী নাগৰিকে ন মেনছ লেণ্ডলৈ আহি খেতিয়কগৰাকীক অপৰহণ কৰা বুলি কোৱা হৈছে। বি এছ এফ আৰু বি জি বিৰ মাজত আজি পুৱাৰ ভাগত এই বৈঠক অনুষ্ঠিত হয়। ছিতলকুছিৰ বিজেপিৰ বিধায়ক বৰেন চন্দ্ৰ বৰ্মনে খেতিয়কগৰাকীৰ পৰিয়ালক সাক্ষাৎ কৰি বি এছ এফে সহায়-সমৰ্থন আগবঢ়াব বুলি আশ্বাস দিয়ে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত খন্তেক পাছতে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। মুম্বাই ইণ্ডিয়ানছে টছত জিকি প্ৰথমে ছানৰাইজাৰ্ছ হায়দৰাবাদক বেটিঙৰ বাবে আমন্ত্ৰণ জনাইছে।

ooooo

সমাপ্ত